**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-11-2024
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
**-----------------------**

সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় সংবিধান দিৱস পালন কৰা হৈছে। ভাৰতৰ সংবিধান গৃহীত হোৱাৰ ৭৫ সংখ্যক বছৰ উপলক্ষে কেন্দ্ৰীয় চৰকাৰে আজিৰে পৰা বছৰ জোৰা উদযাপনৰ কথা ঘোষণা কৰিছে। এইবেলি দেশৰ সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰ সম্পূৰ্ণ হৈছে। আজি আৰম্ভ হোৱা উদযাপন অহা বছৰৰ ২৬ নৱেম্বৰ পৰ্যন্ত চলি থাকিব। ১৯৪৯ চনৰ ২৬ নৱেম্বৰত ভাৰতৰ সংবিধান গৃহীত হৈছিল আৰু ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখে সংবিধান কাৰ্যকৰী কৰা হৈছিল।

সংবিধান দিৱসৰ সৈতে সংগতি ৰাখি দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় প্ৰেক্ষাগৃহত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাজ্যসভা আৰু লোকসভাৰ সদস্যসকলক সম্বোধন কৰিব। অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা তথা ভালেকেইগৰাকী কেন্দ্ৰীয় মন্ত্ৰীকে ধৰি গণ্যমান্য ব্যক্তিসকল উপস্থিত থাকিব।

ইপিনে দেশৰ আন আন প্ৰান্তৰ লগতে ৰাজ্যতো সংবিধান দিৱস উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচাই আজি গুৱাহাটীত সংবিধান দিৱস পদযাত্ৰাত অংশ ল'ব।

০০০০০০

সৰ্বোচ্চ ন্যায়ালয়ে এটা গুৰুত্বপূৰ্ণ ৰায়ৰ জৰিয়তে সংবিধ+নৰ প্ৰস্তাৱনাত থকা সমাজতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ শব্দ দুটা বাহাল ৰাখে। ১৯৭৬ চনত তেতিয়াৰ ইন্দিৰা গান্ধীৰ নেতৃত্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত সংবিধানৰ ৪২ সংখ্যক সংশোধনীৰ জৰিয়তে প্ৰস্তাৱনাত এই শব্দ দুটা অন্তৰ্ভুক্ত কৰা হৈছিল। কিন্তু পাছত এই সংশোধনীক প্ৰত্যাহ্বান জনাই সৰ্বোচ্চ ন্যায়ালয়ত কেইবাখনো আবেদন দাখিল কৰিছিল। ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু ন্যায়াধীশ পি ভি সঞ্জীৱ কুমাৰক লৈ গঠিত খণ্ডপীঠে কালি এই আবেদনসমূহৰ একেলগে শুনানি গ্ৰহণ কৰে। খণ্ডপীঠে এই আবেদনসমূহ নাকচ কৰি কয়, যে সংবিধানৰ ৩৬৮ অনুচ্ছেদৰ অধীনত সংসদে সংবিধান সংশোধন কৰিব পাৰে আৰু ইয়াত বিতৰ্কৰ অৱকাশ নাই। খণ্ডপীঠৰ মতে যিকোনো সংশোধনী সংবিধানৰ মৌলিক গাঁথনিৰ আধাৰত হ'ব লাগিব। প্ৰস্তাৱনাত সমাজতান্ত্ৰিক আৰু ধৰ্মনিৰপেক্ষ শব্দ দুটাৰ অন্তৰ্ভুক্তিয়ে সংবিধানৰ মৌলিক গাঁথনিত আঘাত কৰা নাই বুলিও ন্যায়াধীশ দুগৰাকীয়ে স্পষ্ট কৰি দিয়ে। বিজেপিৰ প্ৰাক্তন সাংসদ সুব্ৰামণিয়ম স্বামী, সমাজকৰ্মী বলৰাম সিং আৰু অধিবক্তা অশ্বিনী উপাধ্যায়ে দাখিল কৰা আবেদনত আপত্তি দৰ্শোৱা হৈছিল যে ৪২ সংখ্যক সংশোধনীয়ে সংবিধান প্ৰণেতাসকলৰ মৌলিক দৃষ্টিভংগীক বিকৃত কৰিছে। তেওঁলোকে লগতে ১৯৭৬ চনৰ সংসদৰ বৈধতাক প্ৰশ্ন কৰি কৈছিল যে এই সংসদৰ কাৰ্যকাল জৰুৰী অৱস্থাত প্ৰয়োজনীয়তা পূৰণৰ বাবেহে সম্প্ৰসাৰণ কৰা হৈছিল। এই অভিযোগ অগ্ৰাহ্য কৰি খণ্ডপীঠে কয়, যে এই সংশোধনী বিস্তৃত ন্যায়িক পুনৰীক্ষণৰ পাছতহে বাহাল ৰখা হৈছে। মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই কয়, যে আন দেশৰ সমাজতন্ত্ৰৰ পৰা ভাৰতীয় সমাজতন্ত্ৰৰ পাৰ্থক্য আছে আৰু ভাৰতত সমাজতান্ত্ৰিক শব্দই কল্যাণকামী বা সেৱামূলক ৰাষ্ট্ৰক নিৰ্দেশ কৰে।

০০০০০০

কেন্দ্ৰীয় চৰকাৰৰ কল্যাণকামী আঁচনি প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ধেমাজি জিলাৰ কৃষকসকলৰ মাজত কালি শস্য বীমাৰ পলিচি বিতৰণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। কৃষি বিভাগৰ উদ্যোগত জিলাখনৰ মুঠ ১৭ হাজাৰ ১৩৬ জন ধানখেতি কৰা কৃষকক শস্য বীমাৰ পলিচি বিতৰণ কৰা হ'ব। ধেমাজি কৃষি উন্নয়নৰ খণ্ডৰ মুঠ এহেজাৰ ৬৭ জন কৃষকক কালি শুভাৰম্ভণি হিচাপে পলিচি প্ৰদান কৰা হয়।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কালি উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষা সূচী ঘোষণা কৰে। সেই অনুসৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষা অহা ১৩ ফেব্ৰুৱাৰীৰ পৰা ১৭ মাৰ্চলৈ অনুষ্ঠিত হ'ব। ইপিনে আমাৰ আগৰ বাতৰিতে ২০২৫ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব বুলি কোৱা হৈছিল। পৰিষদে কালি ঘোষণা কৰা পৰীক্ষাৰ সময়সূচী অনুসৰি পুৱা ৯ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ আৰু দুপৰীয়া ১ বাজি ৩০ মিনিটৰ পৰা বিয়লি ৪ বাজি ৩০ মিনিটলৈ পৰীক্ষা অনুষ্ঠিত হ'ব। ২১ আৰু ২২ জানুৱাৰীত ব্যৱহাৰিক পৰীক্ষা অনুষ্ঠিত হ'ব। আনহাতে ৩ মাৰ্চত পৰীক্ষাৰ অন্ত পৰিব।

০০০০০০

সমাপ্ত